**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। পশ্চিম কাৰ্বি আংলঙত আৰক্ষীৰ গুলীত নিহতৰ নিকটাত্মীয়লৈ ১০ লাখ টকাৰ ক্ষতিপূৰণ আৰু পৰিয়ালৰ এজনক এটা চাকৰিৰ ব্যৱস্থা কৰাৰ বিষয়ে ৰাজ্য চৰকাৰৰ ঘোষণা।

২। অসমৰ বিশেষ সংশোধিত ভোটাৰ তালিকাৰ খচৰা আজি প্ৰকাশ।

৩। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ আজি মৃত্যুবাৰ্ষিকীত সদৌ অসম ছাত্ৰ সন্থাৰ স্মাৰক বঁটা প্ৰদান অনুষ্ঠান। লোককৃষ্টিৰ সাধক ৰত্নেশ্বৰ মৰাণলৈ প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা।

৪। অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বৈঠকত ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত বিধানসভা নিৰ্বাচনৰ ৰণনীতি আলোচনা। **আৰু**

৫। ভাৰতৰ মহিলা ক্ৰিকেট দলৰ শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলাৰ ক্ৰমাগতভাৱে তৃতীয়খন খেলতো জয়লাভ।

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ শেহতীয়া বিক্ষিপ্ত ঘটনাত আৰক্ষীৰ গুলীত মৃত্যু হোৱা কাৰ্বি জনগোষ্ঠীৰ পৰিয়ালক ৰাজ্য চৰকাৰে ১০ লাখ টকাৰ ক্ষতিপূৰণ দিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ইয়াৰ লগতে ব্যক্তিগৰাকীৰ পৰিয়ালৰ এজন লোকক পৰিষদে চাকৰি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা বুলিও প্ৰকাশ কৰা হৈছে। কালি সন্ধিয়া দিছপুৰত কাৰ্বি জনগোষ্ঠীৰ কেইবাটাও দল সংগঠনৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে খেৰণিৰ উচ্ছেদ সন্দৰ্ভত ৰুজু হোৱা গোচৰ ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকাৰ বাবে চৰকাৰে উচ্ছেদক লৈ কোনো সিদ্ধান্ত ল'ব পৰা নাই। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে ৫ জানুৱাৰীৰ পূৰ্বে এই সন্দৰ্ভত আদালতত শপতনামা দাখিল কৰাৰ লগতে কাৰ্বি আংলঙৰ জনতাই এটা পক্ষ হৈ আদালতৰ সন্মুখত নিজৰ মন্তব্য প্ৰকাশ কৰিব। স্পৰ্শকাতৰ বিষয়টোৰ ৰায় শীঘ্ৰেই প্ৰদান কৰিবলৈ আদালতক চৰকাৰে আহ্বান জনাব বুলিও ড° শৰ্মাই উল্লেখ কৰে।

বাইট

কালিৰ এই বৈঠকখনত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, অসম আৰক্ষীৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াৰ লগতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও অংশ লয়।

০০০০০০

বিশেষ সংশোধনী ২০২৬ৰ খচৰা ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। অসমৰ মুখ্য নিৰ্বাচনী বিষয়াই জানিবলৈ দিয়া অনুসৰি আজি প্ৰকাশ পোৱা এই খচৰা ভোটাৰ তালিকাৰ ভিত্তিত ৰাইজে অহা ২২ জানুৱাৰী পৰ্যন্ত দাবী আৰু আপত্তিসমূহ দাখিল কৰিব পাৰিব। ২ ফেব্ৰুৱাৰীৰ ভিতৰত এই দাবী আৰু আপত্তিসমূহ নিষ্পত্তি কৰি ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিছে।

০০০০০০

গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ আজি মৃত্যুবাৰ্ষিকী।

**গীত** …….

গোৱালপৰীয়া লোকগীতৰ সাধক প্ৰতিমা বৰুৱা পাণ্ডেৰ সোঁৱৰণত সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবছৰে প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা আগবঢ়াই আহিছে। এই উপলক্ষে গুৱাহাটীৰ চানমাৰিৰ ছহিদ উদ্যানত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত আজি এই বঁটা প্ৰদান কৰা হ'ব। এইবাৰ তিনিচুকীয়া জিলাৰ কাকপথাৰ অঞ্চলৰ বৰমেচাই শিমলুগুৰি নিবাসী লোককৃষ্টিৰ সাধক ৰত্নেশ্বৰ মৰাণক এই সন্মান প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে অসমৰ লোককৃষ্টিৰ সংৰক্ষণ আৰু প্ৰচাৰত বৰঙণি আগবঢ়োৱা এগৰাকী ব্যক্তিক প্ৰতিবছৰে সদৌ অসম ছাত্ৰ সন্থাই এই বঁটা প্ৰদান কৰি আহিছে।

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাৰ আজি দ্বিতীয় তথা অন্তিম দিন। আজি নিৰ্বাচনী প্ৰবন্ধন সমিতি, ইস্তাহাৰ প্ৰস্তুতি সমিতিৰ লগতে কৰ্ণধাৰ সমিতিৰো গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব।

কালি দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনৰ উপস্থিতিত অনুষ্ঠিত প্ৰথমদিনাৰ কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ বিজেপিৰ নিৰ্বাচনী তত্বাৱধায়ক বৈজন্ত জয়পাণ্ডা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ আৰু ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুৰ লগতে দলৰ মন্ত্ৰী-বিধায়ক তথা আঠ শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে। সভাত আসন্ন বিধানসভা নিৰ্বাচন, সাংগঠনিক বিস্তাৰ, চৰকাৰৰ সাফল্যসমূহ জনতাৰ মাজলৈ লৈ যোৱাৰ ৰণনীতি আদিক লৈ মূলতঃ আলোচনা কৰা হয়। ভাষণ প্ৰসংগত ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনে নিৰ্বাচনলৈ সময় যথেষ্ট কম থকাৰ পৰিপ্ৰেক্ষিতত সকলোকে উৎসৰ্গিত মনোভাৱেৰে কাম কৰি যাবলৈ আহ্বান জনায়। বুথ পৰ্যায়ত দলক অধিক শক্তিশালী কৰাৰ পোষকতা কৰি বুথ শক্তিশালী হ'লে নিৰ্বাচনত জয়ী হ'বলৈ বিশেষ অসুবিধা নহ'ব বুলি শ্ৰী নবীনে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত তৃতীয়বাৰলৈ চৰকাৰ গঠন হোৱাৰ দৰে অসমতো তৃতীয়বাৰলৈ এন ডি এৰ চৰকাৰ হ'ব বুলি তেওঁ আস্থা প্ৰকাশ কৰে।

০০০০০০

সদৌ অসম মইনা পাৰিজাতৰ অষ্টাদশ দ্বিবাৰ্ষিক শিশু সমাৰোহ আৰু মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান কালিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। গোলাঘাট জিলাৰ মৰঙিৰ পোৱাবাংলাৰ জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত এই সমাৰোহ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক শিশুৰ কলৰৱেৰে মুখৰ হৈ পৰিছে। এই বিষয়ে সবিশেষ জনাই আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে—

**ভইচ (হিৰণ্য গগৈ)**

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাত আজি যুৱ লেখক সন্মিলন অনুষ্ঠিত হ'ব। বিশিষ্ট সাহিত্যিক তথা আমাৰ অসম কাকতৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে এই সন্মিলন উদ্বোধন কৰিব। লেখক, অনুবাদক তথা জৰ্জিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰুণি কাশ্যপ নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিবলগীয়া এই সন্মিলন লেখক, সমালোচক আৰু তথ্য আৰু জনসংযোগ বিভাগৰ জ্যেষ্ঠ জনসংযোগ বিষয়া সমীৰ শান্দিল্যই সঞ্চালনা কৰিব। বিয়লি তিনি বজাত জন্ম শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্যৰ আলোচনা সত্ৰত 'আধুনিকতাবাদ আৰু কবি অজিত বৰুৱা সন্দৰ্ভত আলোচনা আৰু সন্ধিয়া পাঁচ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

গ্ৰন্থমেলাৰ কালিৰ দিনটোত অসম প্ৰকাশন পৰিষদে ছপা কৰি উলিওৱা **কেশৱ মহন্তৰ ৰচনাৱলী** নামৰ পুথিখন উন্মোচন কৰা হয়। বিশিষ্ট অভিধান প্ৰণেতা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই সম্পাদনা কৰা গ্ৰন্থখন

উন্মোচন কৰি বিশিষ্ট সংগীত শিল্পী ৰমেন চৌধুৰীয়ে কয়, যে কেশৱ মহন্তই গীত আৰু কবিতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি নিৰন্তৰ সাধনাৰে এই দিশত নতুন মাত্ৰা প্ৰদান কৰিছিল। ৰচনাৱলীৰ এই প্ৰথম খণ্ডত কেশৱ মহন্তৰ গীত, কবিতা আৰু ১২ খন সংগীতালেখ্য সন্নিৱিষ্ট কৰা হৈছিল।

০০০০০০

বিশ্বনাথ জিলাৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ ১৪৪ গৰাকী স্নাতক আৰু ৩৪ গৰাকী স্নাতকোত্তৰ শিক্ষক-শিক্ষয়িত্ৰীক সংশ্লিষ্ট শিক্ষানুষ্ঠানত যোগদানৰ নিৰ্দেশপত্ৰ কালি আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। বিশ্বনাথ জিলা পৰিষদৰ সভাকক্ষত আয়োজিত এটা অনুষ্ঠানত বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই নিৰ্দেশ পত্ৰসমূহ বিতৰণ কৰে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ, বিদ্যালয় পৰিদৰ্শক প্ৰভাত দাস, আৰু শিক্ষা বিভাগ তথা জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

জিলা আয়ুক্ত শ্ৰী চহৰীয়াই সকলোকে সেৱাৰ মনোবৃত্তি, যোগাত্মক দৃষ্টিভংগী আৰু গুণগত শিক্ষাৰ জৰিয়তে জিলাখনৰ শৈক্ষিক মান উন্নত কৰিবলৈ আহ্বান জনাই এইদৰে কয় –

**বাইট (লক্ষ্মীনন্দন চহৰীয়া)**

০০০০০০

গোলাঘাট জিলা সাহিত্য সভাৰ নৱম বাৰ্ষিক অধিৱেশনখন অংকুৰণ শাখা সাহিত্য সভাৰ আতিথ্যত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। বোকাখাতৰ ৰজাবাৰী শংকৰদেৱ শিশু নিকেতনত আয়োজন কৰা অধিৱেশনৰ আজি গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰাই পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পাছতেই উপ-সভাপতি মুহিৰাম লয়িঙে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণি কৰিব। পুৱা চাৰে দহ বজাত কাৰ্য নিৰ্বাহক সভা আৰু তাৰ পাছতেই বিয়লি দুই বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতেই আজীৱন সভ্যৰ সন্মিলন, মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব। দিনৰ ১২ বজাত আয়োজিত মুকলি সভাখন মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰাৰ কথা।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ আঁচনি সম্পৰ্কত কথোপথন শুনিবলৈ পাব। ইয়াত ভাগ ল'ব অসম শক্তি বিতৰণ কোম্পেনী লিমিটেডৰ উপ-প্ৰৱন্ধক বৈশালী তালুকদাৰ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিৱেশিকা জিণ্টীৰাণী ডেকাই।

০০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলে শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলা দখল কৰাটো সুনিশ্চিত কৰিছে। পাঁচখনীয়া শৃংখলাৰ কালি তিৰুৱনন্তপুৰমৰ গ্ৰীণফিল্ড ইণ্টাৰনেচনেল ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় খেলখনত ভাৰতে ৮ উইকেটত জয়লাভ কৰে। ইয়াৰ পূৰ্বৰ খেল দুখনত ভাৰত ক্ৰমে ৮ আৰু ৭ উইকেটত জয়ী হৈছিল। কালি প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰা শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেট হেৰুৱাই ১১২ ৰান কৰে। প্ৰত্যুত্তৰত ছেফালী বাৰ্মাৰ ৪২টা বলত কৰা ৭৯ ৰানৰ বেটিং পৰাক্ৰমৰ সহায়ত ১৩ অভাৰত আৰু দুটা বলত দুটা উইকেট হেৰুৱাই ভাৰত নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হয়। খেলখনত ৪টা উইকেট লাভ কৰা ভাৰতৰ ৰেণুকা সিং ঠাকুৰক শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচন কৰা হয়।

০০০০০০

কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ পি জি আৰ আৰু ভি জি আৰ ভূমিৰ উচ্ছেদ সম্পৰ্কীয় গোচৰত অহা ৫ জানুৱাৰীৰ ভিতৰত গুৱাহাটী উচ্চ ন্যায়ালয়ত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদে শপতনামা দাখিল কৰিব। **দৈনিক জনমভূমি** আৰু **দৈনিক অসম** কাকতৰ লগতে আন আন কাকতসমূহেও এই বাতৰিক প্ৰথম পৃষ্ঠাত

গুৰুত্ব  দিছে। খেৰণিৰ ঘটনাত আৰক্ষীৰ গুলীত নিহত ব্যক্তিৰ পৰিয়ালক ৰাজ্য চৰকাৰে ক্ষতিপূৰণৰ দিয়াৰ লগতে পৰিয়ালটোৰ এগৰাকী ব্যক্তিক পৰিষদে চাকৰি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এয়া **অসমীয়া প্ৰতিদিন কাকতৰ** বাতৰি।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নতুন দিল্লীত কালি ৰাজ্যৰ ৰাভা, হাজং আৰু তিৱা জনগোষ্ঠীৰ প্ৰতিনিধি গোটৰ সৈতে বৈঠকত মিলিত হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন, দ্য ছেণ্টিনেল** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰাৰ লগতে আজি প্ৰকাশিত আন কাকতসমূহেও ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

কালিৰে পৰা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। একোটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- ১ কোটি ভোটেৰে পুনৰ ক্ষমতা দখলৰ লক্ষ্য।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত মজলীয়াৰ পৰা ডাঠ কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু মেঘালয় আৰু ত্ৰিপুৰাত সামগ্ৰিকভাৱে বতৰ ফৰকাল থকাৰ বিপৰীতে অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**